**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 03-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তি উদ্ভাৱন সন্মিলন ESTIC-2025 মুকলি কৰিব।

২। বিহাৰৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান চূড়ান্ত পৰ্যায়ত উপনীত হৈছে।

৩। দিল্লী, মুম্বাই আৰু চেন্নাইত সংগীত সমাৰোহেৰে ৬৭ সংখ্যক আকাশবাণী সংগীত সন্মিলন কালি আৰম্ভ হৈছে।

৪। ৰাজস্থানৰ ফালোড়ী জিলাৰ মাথুডা আৰক্ষী চকীৰ অন্তৰ্গত এলেকাত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ১৫ লোকৰ মৃত্যু হয়। *আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত যোৱা নিশা ভাৰতে দক্ষিণ আফ্ৰিকাক হৰুৱাই মহিলা বিশ্বকাপত প্ৰথমটো খিতাপ জয় কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তি উদ্ভাৱন সন্মিলন ESTIC-2025 মুকলি কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশৰ গৱেষণা আৰু উন্নয়নৰ বাতাবৰণ অধিক বিকশিত কৰি তোলাৰ উদ্দেশ্যে ১ লাখ কোটি টকাৰ গৱেষণা, উন্নয়ন আৰু উদ্ভাৱন আঁচনি পুঁজি মুকলি কৰিব। এই সন্মিলন অহা ৫ নৱেম্বৰত অন্ত পৰিব। ESTIC-2025-ৰ জৰিয়তে শৈক্ষিক, গৱেষণা প্ৰতিষ্ঠান, উদ্যোগ আৰু চৰকাৰৰ তৰফৰ পৰা ৩ হাজাৰতকৈও অধিক প্ৰতিনিধিয়ে পৰস্পৰৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পাব। এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আলোচনাচক্ৰ, প্ৰযুক্তি প্ৰদৰ্শন, প্ৰকল্প ব্যাখ্যা আদি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এনে পদক্ষেপৰ জৰিয়তে দেশৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ বাতাবৰণ ত্বৰান্বিত কৰাৰ উদ্দেশ্যে গৱেষক, উদ্যোগ খণ্ড তথা যুৱ উদ্ভাৱকসকলৰ মাজত পৰস্পৰৰ সংস্পৰ্শলৈ অহাৰ বাবে এখন মঞ্চ সৃষ্টি কৰাৰ প্ৰয়াস চলোৱা হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সবাতোকৈ গধুৰ যোগাযোগ কৃত্ৰিম উপগ্ৰহ CMS-03 মহাকাশলৈ সফলতাৰে উৎক্ষেপণ কৰা বাবে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা- ইছৰোক অভিনন্দন জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে ভাৰতীয় মহাকাশ খণ্ড বৰ্তমান উৎকৰ্ষ আৰু উদ্ভাৱনৰ সমাৰ্থক হৈ পৰিছে। দেশৰ মহাকাশ বিজ্ঞানীসকলৰ এই সফলতাই দেশৰ উন্নতি আৰু সৱলীকৰণত সহায় কৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ভাৰতীয় মহাকাশ গৱেষণা সংস্থা- ইছৰোই কালি সন্ধিয়া ৫ বাজি ২৬ মিনিটত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীহৰিকোটাৰ সতীশ ধাৱন মহাকাশ কেন্দ্ৰৰ পৰা দেশৰ সবাটোকৈ গধুৰ যোগাযোগ কৃত্ৰিম উপগ্ৰহ CMS-03 মহাকাশলৈ উৎক্ষেপণ কৰে। CMS-03 একাধিক বেণ্ডযুক্ত সামৰিক যোগাযোগ উপগ্ৰহ। ভাৰতৰ আটাইতকৈ শক্তিসম্পন্ন কাৰ্যক্ষম পঞ্চমটো ৰকেটৰ সহায়ত এই

উপগ্ৰহটো উৎক্ষেপণ কৰা হয়। এই উপগ্ৰহটোৰ GSAT-7R নামেৰেও জনাজাত। এই উপগ্ৰহটো LVM3 নামৰ ৰকেটেৰে উৎক্ষেপণ কৰা হয়। ইছৰোৱে প্ৰকাশ কৰা মতে এই উপগ্ৰহটোৱে ভাৰতীয় ভূ-ভাগসহ মহাসাগৰীয় অঞ্চলত সেৱা আগবঢ়াব। ৪ হাজাৰ ৪১০ কিলোগ্ৰাম ওজনৰ এই কৃত্ৰিম উপগ্ৰহটো ইছৰোৰ বিজ্ঞানীসকলে দেশীয়ভাৱে প্ৰস্তুত কৰা ৰকেটৰ জৰিয়তে মহাকাশলৈ উৎক্ষেপণ কৰা হয়।

ooooo

বিহাৰৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। এন ডি এ, আৰু মহা মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰকসকলে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে। নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ উপৰি ভিন ভিন ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকলে সমদল, জনসভা আদিৰ জৰিয়তে ভোটদাতাৰ মন আকৰ্ষণৰ বাবে আপ্ৰাণ চেষ্টা চলাই আছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভোজপুৰ আৰু নাৱাৰা জিলাৰ দুখন নিৰ্বাচনী সভাত অংশ লোৱাৰ লগতে পাটনাত আয়োজিত এটা ৰোড শ্ব'ত ভাগ লয়। প্ৰায় ডেৰ কিলোমিটাৰজোৰা এই ৰোড শ্ব'ত জনসাধাৰণে বিশেষকৈ মহিলা তথা এন ডি এৰ কৰ্মকৰ্তাসকলে প্ৰধানমন্ত্ৰীক আদৰণি জনায়। ইয়াৰ পাছত শ্ৰী মোদীয়ে পাটনাত ৰাষ্ট্ৰকবি ৰামধাৰী সিং দিনকৰৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে শ্বেওহৰ, চিতামাঢ়ি, আৰু মধুবাণীত ৩ খন নিৰ্বাচনী সভাত ভাষণ দিয়ে। একেদৰে কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীয়ে বেগুচৰাই আৰু খাগাৰীয়াত দুখন সভাত অংশগ্ৰহণ কৰি দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। ইপিনে মহা মিত্ৰজোঁটৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থী তেজস্বী যাদৱে মুংগেৰ, পাটনা, বৈশালী আৰু চৰণকে ধৰি বিভিন্ন ঠাইত ১৭ খন নিৰ্বাচনী সভাত ভাষণ দিয়ে।

ooooo

দিল্লী, মুম্বাই আৰু চেন্নাইত সংগীত সমাৰোহেৰে ৬৭ সংখ্যক আকাশবাণী সংগীত সন্মিলন কালি আৰম্ভ হৈছে। প্ৰচাৰ ভাৰতীয়ে সংস্কৃতি মন্ত্ৰালয়ৰ সহযোগত এই সন্মিলনৰ আয়োজন কৰিছে। নতুন দিল্লীৰ আকাশবাণী ৰং ভৱনত বাঁহীবাদক পণ্ডিত ৰাকেশ চৌৰাছিয়া আৰু মাৰাঠী লোকশিল্পী নন্দেছ উমাপ আৰু তেওঁৰ দলে আকৰ্ষণীয় অনুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানত প্ৰচাৰ ভাৰতীৰ অধ্যক্ষ নৱনীত কুমাৰ ছেহগাল আৰু আকাশবাণীৰ সঞ্চালক প্ৰধান ৰাজীৱ কুমাৰ জৈন উপস্থিত থাকে। দেশৰ মুঠ ২৪ খন চহৰত আকাশবাণী সংগীত সন্মিলন অনুষ্ঠিত কৰা হ'ব। মাহজোৰা এই কাৰ্যসূচীত দেশৰ বিভিন্ন প্ৰান্তৰ শিল্পীসকলে হিন্দুস্তানী, কাৰ্নেটিক, লঘু আৰু লোকসংগীত পৰিৱেশন কৰিব। জনসাধাৰণে বিনামূলীয়াকৈ সংগীত সন্মিলনৰ সকলোবোৰ অনুষ্ঠান উপভোগ কৰিব পাৰিব।

ooooo

ৰাজস্থানৰ ফালোড়ী জিলাৰ মাথুডা আৰক্ষী চকীৰ অন্তৰ্গত এলেকাত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত কমেও ১৫ লোকৰ মৃত্যু হয়। যোধপুৰৰ পৰা তীৰ্থযাত্ৰী কঢ়িয়াই অনা এখন বাছে মাথুডাৰ সমীপত এখন ট্ৰেইলাৰত খুন্দা মৰাৰ ফলতে এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত বহুকেইজন লোকৰ থিতাতে মৃত্যু হোৱাৰ উপৰি ভালেসংখ্যক লোক গুৰুতৰভাৱে আহত হয়। আহতসকলক নিকৰৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ৰাজস্থানৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই এই দুৰ্ঘটনাত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ সুচিকিৎসাৰ ব্যৱস্থা কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজস্থানৰ পথ দুৰ্ঘটনাত নিহত সকলৰ প্ৰতি শোক প্ৰকাশ কৰিছে। এটা বাৰ্তাত শ্ৰীমোদীয়ে দুৰ্ঘটনাত নিহতসকলৰ পৰিয়াললৈ সভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে নিহতসকলৰ নিকটাত্মীয়ক প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য

পুঁজিৰ পৰা ২ লাখ টকাকৈ এককালীন সাহায্য আৰু আহতসকলক ৫০ হাজাৰ টকাকৈ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰে।

০০০০০

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি আই আই টি গুৱাহাটীত কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰথমে উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ক্লাষ্টাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই কেন্দ্ৰটোৱে উত্তৰ পূৰ্বাঞ্চলৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ গৱেষণা, উদ্ভাৱন আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰিব বুলি শ্ৰীসিন্ধিয়াই তেওঁৰ ভাষণত উল্লেখ কৰে। তেওঁ লগতে সমগ্ৰ উত্তৰ-পূবত বিজ্ঞান মানসিকতা প্ৰসাৰৰ ক্ষেত্ৰতো এই কেন্দ্ৰই গুৰুত্বপূৰ্ণ পদক্ষেপ ল'ব বুলি মত প্ৰকাশ কৰে। শ্ৰীসিন্ধিয়াই ইয়াৰ পাছত ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত আয়োজিত এখন সভাত অংশ লৈ ইয়াৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে ৰাজ্যখনৰ দুখন ঔদ্যোগিক উদ্যান আৰু আন চাৰিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে অসমৰ ৫৫খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰক ৪৬৫ কোটি টকা প্ৰদানৰ কথা ঘোষণা কৰে।

০০০০০

নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্প'ৰ্টছ্ একাডেমীত যোৱা নিশা অনুষ্ঠিত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ৫২ ৰানত পৰাজিত কৰি মহিলা বিশ্বকাপত প্ৰথমটো খিতাপ জয় কৰে। দক্ষিণ আফ্ৰিকাই ২৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৪৫ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। লওৰা উলভাৰ্টে সৰ্বাধিক ১০১ ৰান কৰে। ভাৰতৰ দিপ্তী শৰ্মাই ৫টা আৰু শেফালী বাৰ্মাই দুটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে বৰষুণৰ বাবে প্ৰায় দুঘণ্টা পলমকৈ আৰম্ভ হোৱা খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটৰ বিনিময়ত ২৯৮ ৰান সংগ্ৰহ কৰে। শেফালী বাৰ্মাই সৰ্বাধিক ৮৭ আৰু দিপ্তী শৰ্মাই ৫৮ ৰান কৰে। দক্ষিণ আফ্ৰিকাৰ আয়াবোংগা খাকাই তিনিটা উইকেট লাভ কৰে। শেফালী বাৰ্মাক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

উল্লেখযোগ্য যে ভাৰত ইয়াৰ পূৰ্বে ২০০৫ আৰু ২০১৭ চনত অনুষ্ঠিত বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰতীয় দলক আই চি চি মহিলা বিশ্বকাপ ২০২৫ৰ খিতাপ জয়ৰ বাবে অভিনন্দন জনাইছে. এটা বাৰ্তাত শ্ৰীমতী মুৰ্মুৱে কয়, যে দলটোৱে প্ৰথমবাৰৰ বাবে মহিলা বিশ্বকাপ ক্ৰিকেটত বিজয় সাব্যস্ত কৰি ইতিহাস ৰচনা কৰিলে। খেলুৱৈসকলে তেওঁলোকৰ প্ৰতিভা আৰু প্ৰদৰ্শনৰ যোগ্য ফলাফল লাভ কৰিলে বুলি তেওঁ উল্লেখ কৰে। দেশক গৌৰৱান্বিত কৰি তোলাৰ ছোৱালীসকলৰ এই প্ৰচেষ্টাক ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰশংসা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় দলক জয়ৰ বাবে শুভেচ্ছা জনাইছে। প্ৰধানমন্ত্ৰীয়ে এটা বাৰ্তাত মহিলা বিশ্বকাপ ক্ৰিকেটৰ ফাইনেলত ভাৰতীয় দলৰ এই জয় অসাধাৰণ বুলি উল্লেখ কৰে। তেওঁ কয়, যে সমগ্ৰ প্ৰতিযোগিতাখনত ভাৰতীয় দলটোৱে ব্যতিক্ৰমী দলীয় সহযোগিতা আৰু দৃঢ়তা প্ৰদৰ্শন কৰে। এই ঐতিহাসিক জয়ে ভৱিষ্যতৰ চেম্পিয়ন সকলক উৎসাহিত কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

সমাপ্ত